**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-03-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাজ্যসভাত আজি দেশৰ ২০ খন ৰাজ্যৰ ৫৯ গৰাকী সদস্যক বিদায় সম্ভাষণ জনোৱা হয়।

২। চৰকাৰে বিমান সংস্থাসমূহক যাত্ৰীৰ বাবে ন্যায্য প্ৰৱেশাধিকাৰ নিশ্চিত কৰিবলৈ বিমানত কমেও ৬০ শতাংশ আসন বিনামূলীয়াকৈ আৱণ্টন দিবলৈ নিৰ্দেশ দিছে।

৩। কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধিকৰণে কমাৰ্চ ক্ষেত্ৰখনত গ্ৰাহক অধিকাৰ উলংঘন আৰু অনৈতিকভাৱে বাণিজ্যিক কাম-কাজ চলাই থকা ভালেসংখ্যক ব্যৱসায়িক প্ৰতিষ্ঠানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে।

৪। জম্মু-কাশ্মীৰত সমাগত ঈদ-উল-ফিতৰ আৰু চৈত্ৰ নৱৰাত্ৰিৰ প্ৰস্তুতি অব্যাহত আছে।

আৰু

৫। ভাৰতৰ আকৰ্ষি কাশ্যপে আৰ্লিন্‌ছ মাষ্টাৰ্ছ ২০২৬ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ মূল পৰ্বত প্ৰৱেশ কৰিছে।

০০০০০০০

ৰাজ্যসভাত আজি দেশৰ ২০ খন ৰাজ্যৰ ৫৯ গৰাকী সদস্যক বিদায় সম্ভাষণ জনোৱা হয়। ইয়াৰে ৯ গৰাকী মহিলা সদস্য আছে। এই বিদায় অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে সংসদীয় গণতন্ত্ৰৰ প্ৰতি এই সদস্যসকলৰ অৱদান সদায় স্মৰণীয় হৈ ৰ'ব। তেওঁ কয়, যে ৰাজনীতিত কেতিয়াও যৱনিকা নপৰে। কিয়নো সদস্যসকলৰ অভিজ্ঞতা আৰু অৱদান জাতিৰ বাবে সদায় প্ৰাসংগিক আৰু মূল্যবানৰূপে পৰিগণিত হৈ আহিছে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে প্ৰতি দুবছৰৰ মূৰে মূৰে সদনত একাংশ সদস্যক বিদায় দিয়াৰ আৱেগিক মুহূৰ্ত উপস্থিত হয়। প্ৰধানমন্ত্ৰীয়ে কয়, যে এনে মুহূৰ্ত উপস্থিত হ'লে তেওঁ সদায় সদস্যসকলৰ প্ৰতি নিজৰ সন্মান প্ৰদৰ্শন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে প্ৰতিগৰাকী সদস্যই সদনত উত্থাপিত বিষয়সমূহৰ আলোচনাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়াইছে। ইয়াৰে কিছুমান তিতা আৰু আন কিছুমান মিঠা অভিজ্ঞতা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে যেতিয়াই এনে পৰিস্থিতিৰ উদ্ভৱ হয়, তেতিয়াই সদস্যসকলে নিজৰ দলৰ ঊৰ্ধলৈ গৈ এটা সমূহীয়া মত পোষণ কৰে। শ্ৰী মোদীয়ে কয়, যে সদন নিজেই এখন মুক্ত বিশ্ববিদ্যালয় আৰু ই জাতীয় জীৱনক সমৃদ্ধ কৰাৰ বহু সুবিধা প্ৰদান কৰিছে।

বাইট

উপ-সভাপতি হৰিবংশৰ কথা উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে তেওঁ সদনত দায়িত্বপূৰ্ণভাৱে কাম-কাজ কৰিবলৈ দীঘলীয়া সময় পাইছিল। শ্ৰী মোদীয়ে কয়, যে শ্ৰী হৰিবংশে সদনৰ কাম-কাজ পৰিচালনা কৰাৰ সময়ত প্ৰতিজন সদস্যৰ আস্থা জয় কৰিবলৈ চেষ্টা কৰিছিল। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে জ্যেষ্ঠ সদস্যসকলে সংসদীয় কাম-কাজৰ মাজেৰে নিজৰ জীৱনৰ সৰহভাগ সময় ব্যয় কৰিছে। সদনৰ নতুন

সদস্যসকলে সদনৰ কাম-কাজত কিদৰে উচৰ্গাৰ মনোভাৱ পোষণ কৰাৰ লগতে সামাজিক দায়ৱদ্ধতাৰ পৰিচয় দাঙি ধৰিছে, এই কথা জ্যেষ্ঠ সদস্যসকলৰ পৰা শিকা উচিত।

ইয়াৰ পূৰ্বে সদনৰ সভাপতি চি পি ৰাধাকৃষ্ণণে কয়, যে প্ৰতি দুবছৰৰ মূৰে মূৰে ৰাজ্যসভাৰ এক তৃতীয়াংশ সদস্যই বিদায় লোৱাটো আমাৰ সাংবিধানিক ব্যৱস্থাক প্ৰতিফলিত কৰে। এই বিদায় অনুষ্ঠানত বিৰোধী দলৰ নেতা তথা কংগ্ৰেছ সাংসদ মল্লিকাৰ্জুন খাৰ্গেই কয়, যে যিসকল লোক ৰাজনীতি বা ৰাজহুৱা জীৱনত সেৱা আগবঢ়াই আহিছে তেওঁলোকে কেতিয়াও অৱসৰ নলয়। শ্ৰী খাৰ্গেই কয়, যে তেওঁ সদনৰ কাম-কাজত অংশগ্ৰহণ কৰোতে অন্য সদস্যসকলৰ পৰা শিকি-বুজি ল'বলৈ সদায় চেষ্টা কৰি আহিছিল।

০০০০০০০

চৰকাৰে বিমান সংস্থাসমূহক যাত্ৰীসকলৰ বিমান সংস্থাসমূহক যাত্ৰীসকলৰ বাবে ন্যায্য প্ৰৱেশাধিকাৰ নিশ্চিত কৰিবলৈ যিকোনো বিমানত কমেও ৬০ শতাংশ আসন বিনামূলীয়াভাৱে আৱণ্টন কৰিবলৈ নিৰ্দেশ দিছে। অসামৰিক বিমান পৰিবহন মন্ত্ৰালেয় আজি অসামৰিক বিমান পৰিবহন সঞ্চালকালৰ জৰিয়তে জাৰি কৰা নিৰ্দেশনাসমূহত যাত্ৰীসকলৰ সুবিধা ত্বৰান্বিত কৰাৰ লগতে বিমান পৰিবহন সংস্থাসমূহৰ নীতি নিয়মসমূহত স্বচ্ছতা আৰু সমতা অনাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে। মন্ত্ৰালয়ে একেটা পি এন আৰত যাত্ৰা কৰা যাত্ৰীসকলৰ বাবে একেলগে আসনৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিছে। মন্ত্ৰালয়ে লগতে ক্ৰীড়াৰ সঁজুলি আৰু বাদ্যযন্ত্ৰসমূহ স্বচ্ছ আৰু যাত্ৰীৰ অসুবিধাৰ নোহোৱাকৈ কঢ়িয়াই নিযাৰ সুবিধা প্ৰদান কৰা উচিত বুলিও প্ৰকাশ কৰে। এয়াৰলাইনসমূহক পোহনীয়া জন্তু কঢ়িয়াই নিয়াৰ বাবে স্পষ্ট, স্বচ্ছ নীতি প্ৰস্তুত কৰাৰ বাবেও নিৰ্দেশ দিয়া হৈছে। আনহাতে, বিমান বাতিল তথা বিলম্ব হোৱাৰ লগতে কোনো কাৰণত বৰ্ডিং কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হোৱাকে ধৰি যাত্ৰীৰ অধিকাৰ সমূহৰ ক্ষেত্ৰত অধিক সাৱধান হ'বলৈ চৰকাৰে বিমান সংস্থাসমূহক নিৰ্দেশ দিছে। মন্ত্ৰালয়ে বিমান পৰিবহন ৱেবছাইট, মোবাইল এপ্লিকেচন, বুকিং প্লেটফৰ্ম আৰু বিমানবন্দৰৰ কাউণ্টাৰসমূহত যাত্ৰীৰ অধিকাৰ সন্দৰ্ভত বিশেষ সজাগতামূলক বাৰ্তা প্ৰদৰ্শনৰ বাবেও আহ্বান জনায়। বিমান সংস্থাসমূহক যাত্ৰীৰ মাজত সজাগতা সৃষ্টিৰ বাবে আঞ্চলিক ভাষাত যাত্ৰীৰ অধিকাৰ সন্দৰ্ভত স্পষ্ট বাৰ্তা প্ৰকাশ কৰাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০০

কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধিকৰণ চি চি পি এ ই-বাণিজ্য ক্ষেত্ৰখনত গ্ৰাহক অধিকাৰ উলংঘন কৰা আৰু অনৈতিকভাৱে বাণিজ্যিক কাম-কাজ চলাই থকা ভালেসংখ্যক ব্যৱসায়িক প্ৰতিষ্ঠানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে। লোকসভাত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয়, যে ২০২০ চনৰেপৰা ই-কমাৰ্চ ক্ষেত্ৰখনত চলি অহা অনৈতিক বাণিজ্যিক কাম-কাজৰ ক্ষেত্ৰত লিগেল মেট্ৰ'লজি বিভাগে ৯৯৭ খন নিৰ্দেশনা জাৰি কৰিছে। মন্ত্ৰী শ্ৰী যোশীয়ে কয়, যে এইধৰণৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ পাছত ভালেসংখ্যক ই-বাণিজ্য ব্যৱসায়ীয়ে উপভোক্তাৰ অভিযোগ নিষ্পত্তিকৰণৰ ব্যৱস্থা শক্তিশালী কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে গ্ৰাহকক এহেজাৰ চাৰিশ ৪০ কোটি টকা ওভোতাই দিব পৰাটো বিগত সময়ত গ্ৰাহক সুৰক্ষা বিভাগৰ উল্লেখযোগ্য সফলতা।

০০০০০০০

জম্মু-কাশ্মীৰত সমাগত ঈদ-উল-ফিতৰ আৰু চৈত্ৰ নৱৰাত্ৰিৰ প্ৰস্তুতি অব্যাহত আছে। অহা ২০ আৰু ২১ মাৰ্চত অঞ্চলটোত ৰমজান ঈদ পালন কৰা হ'ব। তদুপৰি চৈত্ৰ নৱৰাত্ৰি উৎসৱো কাইলৈ আৰম্ভ হ'ব। অঞ্চলটোৰ উৎসৱ মুখৰ পৰিবেশৰ সৈতে সংগতিৰ ৰাখি পৰম্পৰাগত বস্ত্ৰ সম্ভাৰ, মিঠাই তথা

অত্যাৱশ্যকীয় সামগ্ৰীসমূহেৰে বজাৰসমূহ উভৈনদী হৈ পৰিছে। ইতিমধ্যে অঞ্চলটোৰ গুৰুত্বপূৰ্ণ ধৰ্মীয় স্থানসমূহত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। শান্তিপূৰ্ণ আৰু নিৰাপদ উদযাপন সুনিশ্চিত কৰাৰ উদ্দেশ্যে অঞ্চলটোত অহৰ্নিশে নিয়মীয়া তালাচি অব্যাহত আছে। আনহাতে,জম্মু-কাশ্মীৰৰ পৰ্যটন বিভাগে জম্মু জিলা প্ৰশাসনৰ সহযোগিতাৰে কাইলৈ চৈত্ৰ নৱৰাত্ৰি উৎসৱ পালনৰ দিহা কৰিছে। এই উপলক্ষে বিভিন্ন সাংস্কৃতিক আৰু ধৰ্মীয় কাৰ্যসূচীও ৰূপায়ন কৰা হ'ব।

০০০০০০০

মধ্য প্ৰাচ্যত যুদ্ধ অব্যাহত থকাৰ মাজতে ড'নাল্ড ট্ৰাম্পৰ সন্ত্ৰাসবাদ বিৰোধী বিভাগৰ জ্যেষ্ঠ বিষয়া জো কেণ্টে পদত্যাগ কৰিছে। তেওঁ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক সদ্যহতে গ্ৰহণ কৰা পথ সলনি কৰিবলৈ আহ্বান জনায়। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ বিৰোধী কেন্দ্ৰৰ সঞ্চালক কেণ্টে কয়,যে ইৰানে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পতি তৎকালীন ভাবুকিৰ সৃষ্টি কৰা নাই। তেওঁ লগতে কয়, যে ইজৰাইল তথা এক বিশেষ পক্ষৰ হেঁচাত প্ৰশাসনে এই যুদ্ধ আৰম্ভ কৰিছে। আনহাতে, হোৱাইট হাউচে এই সন্দৰ্ভত কয়, যে ইৰানে প্ৰথমে আমেৰিকা যুক্তৰাষ্ট্ৰক আক্ৰমণ কৰাৰ সম্ভাৱনা সন্দৰ্ভত ৰাষ্ট্ৰপতিৰ ওচৰত উপযুক্ত প্ৰমাণ আছে। উল্লেখযোগ্য, ইৰানৰ ওপৰত আমেৰিকা যুক্তৰাষ্ট্ৰ তথা ইজৰাইলে চলোৱা আক্ৰমণক ৰাজহুৱাকৈ সমালোচনা কৰা কেণ্ট হৈছে ট্ৰাম্প প্ৰশাসনৰ অতি উচ্চ পৰ্যায়ৰ বিষয়া।

০০০০০০০

ভাৰতৰ আকৰ্ষি কাশ্যপে Orleans Masters 2026 বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ মূল পৰ্বত প্ৰৱেশ কৰিছে। আকৰ্ষিয়ে কালিৰ দুয়োখন যোগ্যতা নিৰ্ণয়কাৰী খেলত জয়লাভ কৰি এই সাফল্য অৰ্জন কৰে।

ফ্ৰান্সৰ Palais des Sportsত অনুষ্ঠিত প্ৰতিযোগিতাত আকৰ্ষিয়ে প্ৰথমখন খেলত প্ৰতিদ্বন্দ্বী শ্ৰিয়াংশী ভালিশেট্টিক ২১-১৯, ১৭-২১, ২১-১৩ ব্যৱধানত আৰু চাইনিজ টাইপেইৰ লি ইউ-হ্সুৱানক ২১-১৭, ২১-১৯ ব্যৱধানত পৰাজিত কৰে। মূল পৰ্বৰ প্ৰথম ৰাউণ্ডত আকৰ্ষিয়ে ছিংগাপুৰৰ কমনৱেলথ গেমছৰ ব্ৰঞ্জ পদক বিজয়ী ইয়েও জিয়া মিনৰ বিৰুদ্ধে খেলিব।

ইপিনে, পুৰুষ ডাবলছৰ প্ৰথম ৰাউণ্ডত চাইনিজ টাইপেইৰ লাই পো-ইউ আৰু ছাই ফু-চেং জুটিয়ে ভাৰতৰ অৰ্জুন ৰেড্ডি পোচানা আৰু অচ্যুতাদিত্য ৰাও' দোদ্দাভাৰাপুৰ জুটিক ২১-৭, ২১-৯ ব্যৱধানত পৰাস্ত কৰিছে।

আজি BWF Super 300 প্ৰতিযোগিতাত বিশ্বৰ প্ৰাক্তন শীৰ্ষস্থানৰ খেলুৱৈ কিদাম্বী শ্ৰীকান্তৰ লগতে যুৱ খেলুৱৈ আয়ুষ শেট্টি, মালভিকা বাঞ্চ'ড়, অনমল খৰ্ব আৰু তনভী শৰ্মায়ো নিজৰ অভিযান আৰম্ভ কৰিব। ভাৰতৰ শীৰ্ষ ডাবলছ জুটি সাত্বিক-সাইৰাজ ৰাংকিৰেড্ডি আৰু চিৰাগ শেট্টী, দুবাৰকৈ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধু আৰু লক্ষ্য সেনে এইবাৰৰ Orleans Mastersত অংশগ্ৰহণ নকৰিবলৈ সিদ্ধান্ত লৈছে।

০০০০০০০

**সমাপ্ত**